**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-03-2025 **Time :** 0755 Hrs.

# Assamese Morning Bulletin

ৰাজ্য চৰকাৰে ৰঙালী বিহুৰ পূৰ্বে প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ নিযুক্তি পত্ৰ বিতৰণ কৰিব। শিক্ষা সচিব নাৰায়ণ কোঁৱৰ আৰু প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিৰ উপস্থিতিত প্ৰাথমিক শিক্ষক সন্মিলনীৰ বিষয়ববীয়াসকলৰ সৈতে জনতা ভৱনত কালি এখন বৈঠকত মিলিত হৈ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কথা প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে অহা বছৰৰ পৰা বৃত্তি পৰীক্ষা পুনৰ অনুষ্ঠিত কৰাৰ উপৰি পঞ্চম শ্ৰেণীলৈ সকলো শিক্ষাৰ্থীকৈ অভ্যাসন বহী যোগানৰ নিশ্চয়তা প্ৰদান কৰে। বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰে নিযুক্তি লাভ কৰা শিক্ষকৰ দৰমহা যাতে কোনো যটি নপৰে, তাৰবাবেও ব্যৱস্থা লোৱা হ'ব বুলি ডাঃ পেগুৱে উল্লেখ কৰে। তেওঁ লগতে ঠিকাভিত্তিক কৰ্মৰত শিক্ষকৰ সংশোধিত সাময়িক পদোন্নতিত অনুমোদন দিয়াৰ ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ কয়, যে অহা তিনি-চাৰি দিনৰ ভিতৰত শিক্ষক বদলিৰ প'ৰ্টেল মুকলি কৰা হ'ব। প্ৰাথমিক শিক্ষকৰ বাবে সহ-পৰিদৰ্শক পদৰ সংৰক্ষণ ব্যৱস্থা পুনৰ প্ৰৱৰ্তন সন্দৰ্ভত প্ৰাথমিক শিক্ষক সন্মিলনীয়ে উত্থাপন কৰা দাবী বিবেচনা কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে।

০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসমত উপস্থিত হ'ব। অসম ভ্ৰমণকালত শ্ৰীশ্বাহে নিখিল বড়ো ছাত্ৰ সন্থা এবছুৰ বাৰ্ষিক সন্মিলনসহ কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰিব। শ্ৰী শ্বাহে পৰহিলৈ ডেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। পাছত তেওঁ ডেৰগাঁৱৰ পৰা মিজোৰামলৈ যাব। তাত মন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখাওছঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছে বাহিনীটোৰ ঘাটি আইজলৰ পৰা জোখাওছঙলৈ স্থানান্তৰিত কৰাৰ বাবে চুক্তি সম্পাদন কৰিছিল।

ইয়াৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মিজোৰামৰ পৰা পোনে পোনে গুৱাহাটীত উপস্থিত হ'ব আৰু সন্ধিয়া গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে নতুন ফৌজদাৰী আইন তিনিখন সন্দৰ্ভত বৈঠকত মিলিত হ'ব। শ্ৰী শ্বাহে ১৬ মাৰ্চত কোকৰাঝাৰৰ দোতমাত হ'বলগীয়া এবছুৰ অধিৱেশনত অংশগ্ৰহণ কৰিব। কোকৰাঝাৰৰ কাৰ্যসূচী সামৰি ১৬ মাৰ্চৰ বিয়লি তেওঁ নতুন দিল্লীলৈ বুলি উভতি যাব।

০০০০০

ডিব্ৰুগড়ৰ কাৰাগাৰত বন্দী হৈ থকা সাংসদ অমৃতপাল সিঙক লোকসভাৰ পৰা ৫৪ দিনৰ ছুটী দিয়া হৈছে বুলি কালি কেন্দ্ৰীয় চৰকাৰে পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ক অৱগত কৰে। সংসদীয় সমিতিয়ে সাংসদগৰাকীৰ

সদস্য পদৰ প্ৰতি কোনো ভাবুকি নোহোৱাৰ নিশ্চয়তা প্ৰদান কৰি তেওঁৰ ছুটীত অনুমোদন জনায়। পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শীল নগু আৰু ন্যায়াধীশ সুমিত গোৱেলৰ বিচাৰপীঠৰ সন্মুখনত অতিৰিক্ত ছলিচিটৰ জেনেৰেল সত্যপাল জৈনে কয়, যে বিষয়টোৰ দায়িত্বৱাহী সমিতিয়ে মঙলবাৰে অমৃতপাল সিঙকে ধৰি চাৰিজন সাংসদৰ বাবে ছুটীত অনুমোদন জনাইছে। ইয়াৰ পাছতে লোকসভা সচিবালয়ে কাৰাগাৰত থকা সাংসদজনক তেওঁৰ অনুমোদিত ছুটীৰ বিষয়ে অৱগত কৰে। উল্লেখযোগ্য যে সাংসদগৰাকীয়ে লোকসভাৰ বাজেট অধিৱেশনত উপস্থিত থকাৰ বাবে অনুমতি বিচাৰি ২১ ফেব্ৰুৱাৰীত উচ্চ ন্যায়ালয়ত আবেদন জনাইছিল। এই আবেদনত একেৰাহে ৬০ দিন অনুপস্থিত থাকিলে এজন সাংসদে সদস্যপদ হেৰুওৱাৰ সংসদীয় নিয়মৰ কথা উল্লেখ কৰা হৈছিল।

০০০০০০০

লখিমপুৰ জিলাৰ নাৰায়ণপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত কালি বিয়লি দুৰ্নীতি নিবাৰক শাখাই অভিযান চলাই খণ্ড শিক্ষা বিষয়া পদ্মেশ্বৰ বৰা আৰু মহিম দেৱজিৎ শইকীয়া নামৰ এজন শিক্ষকক উৎকোচৰ ধনসহ গ্ৰেপ্তাৰ কৰে। কাৰ্যালয়টোৰ এগৰাকী জ্যেষ্ঠ সহায়কৰ অভিযোগৰ ভিত্তিত দুৰ্নীতি নিবাৰক শাখাই অভিযান চলাই দুয়োজন লোকক গ্ৰেপ্তাৰ কৰে। অভিযোগ অনুসৰি কাৰ্যালয় সহায়কগৰাকীয়ে ৯ গৰাকী শিক্ষকৰ আয়কৰ ৰেহাই দিয়াৰ বাবে বিষয়া আৰু শিক্ষকগৰাকীয়ে ৯০ হাজাৰ টকাৰ উৎকোচ লোৱাৰ খবৰ লাভ কৰি উৰ্ধতন কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিছিল। এই অনুসৰি পূৰ্বৰে পৰা গোপনে ৰৈ থকা দুৰ্নীতি নিবাৰক শাখাৰ দলে দুয়োজনক গ্ৰেপ্তাৰ কৰে।

০০০০০০০

শিৱসাগৰত আলফাৰ নামত ধন দাবী কৰা তিনিজন প্ৰৱঞ্চকক আৰক্ষীয়ে কালি গ্ৰেপ্তাৰ কৰে। লোককেইজন দীপ হাজৰিকা, ছালিমুল্লাহ আৰু জামাল আলী বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে শিৱসাগৰ চহৰৰ হাস্পতালৰ ৰোডৰ সমীপত স্বামী-স্ত্ৰীক আলফা বুলি পৰিচয় অচিনাক্ত ব্যক্তিকেইজনে ধন দাবী কৰাৰ লগতে ধন নিদিলে হত্যাৰ ভাবুকি দিছিল। আৰক্ষীয়ে কালি অভিযান চলাই এই লোককেইজনক গ্ৰেপ্তাৰ কৰে।

০০০০০০০

চাবুৱাত নিৰ্মাণৰত শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ কাম অহা বছৰৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য লক্ষণ প্ৰসাদ আচাৰ্যই নিৰ্দেশ দিছে। ৰাজ্যপালগৰাকীয়ে কালি উত্তৰ-পূৰ্বৰ প্ৰথমখন ৰাজ্যিক ক্ৰীড়া বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰি লেহেমীয়া গতিৰে চলি থকা কামক লৈ অসন্তুষ্টি প্ৰকাশ কৰে। উল্লেখযোগ্য যে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালত এই বিশ্ববিদ্যালয়খন নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছিল। ইয়াৰ পৰৱৰ্তী সময়ত ২০২৩ চনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ক্ৰীড়া বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপন কৰিছিল। ৫৬ কোটি ৬২ লাখ টকাৰো অধিক ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ক্ৰীড়া বিশ্ববিদ্যালয়খনৰ নিৰ্মাণকাৰ্যৰে জড়িত বিভাগীয় অভিযন্তা আৰু ঠিকাদাৰ প্ৰতিষ্ঠানৰ পৰা ৰাজ্যপালগৰাকীয়ে অগ্ৰগতিৰ বুজ লয়।

০০০০০০০

**সমাপ্ত**